পাঠ-১৪

# যিহোৱাৰ সাক্ষীবিলাকে কেনেকৈ সংগঠিত হয়?

*আধুনিক দিনৰ যিহোৱাৰ সাক্ষীবিলাক কেতিয়াৰ পৰা আৰম্ভ হ'ল?* (১)

*যিহোৱাৰ সাক্ষীবিলাকৰ সভাবিলাক কেনেকৈ পৰিচালনা কৰা হয়?* (২)

*খৰচবোৰ কেনেকৈ বহন কৰা হয়?* (৩)

*প্ৰত্যেক মন্ডলীত কোনে দায়িত্ব ভাৰ লয়?* (৪)

*প্ৰত্যেক বছৰত কি ধৰণৰ ডাঙৰ সভাবোৰ হয়?* (৫)

*মুখ্যালয় আৰু শাখা কাৰ্য্যলয়ত কি কাম কৰা হয়?* (৬)

১. আধুনিক দিনৰ যিহোৱাৰ সাক্ষীবিলাক ১৮৭০ চনৰ পৰা আৰম্ভ হয়। প্ৰথমতে তেওঁলোকক বাইবেলৰ বিদাৰ্থী বুলি কোৱা হৈছিল। কিন্তু ১৯৩১ চনত তেওঁলোকে শাস্ত্ৰ অনুসাৰে যিহোৱাৰ সাক্ষী নাম গ্ৰহন কৰে। (যিচয়া ৪৩:১০) সৰু সংস্হনৰ পৰা আৰম্ভ হৈ লাখ লৈ বৃদ্ধি পালে। যিবিলাকে ২৩০ ৰো অধিক দেশত প্ৰচাৰ কৰ্য্যত ব্যস্থ হৈ আছে।

২. যিহোৱাৰ সাক্ষীবিলাকৰ সৰহভাগ মন্ডলীত সপ্তাহত তিনিটাকৈ সভা আয়োজন কৰা হয়। যি কোনো এটা সভাত উপস্হিত হবলৈ আপোনাক নিমন্ত্ৰন কৰা হৈছে। (ইব্ৰী ১০:২৪, ২৫) ইয়াত বাইবেল ভিক্তি কৰি শিকোৱা হয়। সভাহবোৰ প্ৰাৰ্থনাৰ দ্দাৰা আৰম্ভণি আৰু শেষ কৰে। সৰহভাগ সভাহত হৃদয়ৰে “আধ্যত্মিক গান” গোৱা হয়। (ইফিচীয়া ৫:১৮, ১৯) বিনামূল্য প্ৰৱেশ, আৰু কোনো সংগ্ৰহ কৰা নহয়। —মথি ১০:৮.



৩. সৰহভাগ সভাবোৰ, এটা ৰাজ্য চ'ৰাত হয়। এই চ'ৰাবোৰ সধাৰণতে সাক্ষীবিলাকে স্বইচ্ছাৰে গৈ বনোৱাত ভাগ লয়। ৰাজ্য চ'ৰাত আপুনি কোনো মূৰ্ত্তি, খ্ৰীস্টক যাতনা দিয়া স্তম্ভ, বা তেনে কোনো ধৰণৰ বস্তুক নেদেখিব। খৰচবোৰ সাক্ষীসকলে স্বইচ্ছাৰে বহন কৰে। যি







সকলে দান দিব বিচাৰে, তাৰ কাৰণে বৰঙণি বাকচ আছে। —কৰিন্থীয়া ৯:৭.

৪. প্ৰত্যেক মন্ডলীত কিছুমান অধ্যক্ষ বা তত্বাৱধায়ক থাকে। তেওঁলোকে মন্ডলীত শিক্ষা দিয়াত দায়িত্ব লয়। (১ তীমথিয় ৩:১-৭; ৫:১৭) তেওঁলোকক পৰিচাৰক সকলে সহায় কৰে। (১ তীমথিয় ৩:৮-১০, ১২, ১৩) এই মানুহবিলাকে মন্ডলীৰ আনলোকতকৈ ওপৰত নহয়। (২ কৰিন্থীয় ১:২৪) তেওঁলোকক কোনো বিশেষ উপাধি দিয়া নহয়। (মথি ২৩: ৮-১০) তেওঁলোকে অন্য লোক সকলতকৈ বেলেগ সাজ-পোচাক পৰিধান নকৰে। নতুবা তেওঁলোকৰ কামৰ কাৰণে একো দিব নলাগে। অধ্যক্ষ সকলে মন্ডলীৰ আত্মীক দৰকাৰ বাবে স্বইচ্ছৰে কাম কৰে। তেওঁলোকে অশান্তিৰ সময়ত সান্ত্বনা দিয়ে আৰু পথ পৰ্দশন কৰে।—যাকোব ৫:১৪-১৬; ১ পিতৰ ৫:২, ৩.

৫. প্ৰতি বছৰে যিহোৱাৰ সাক্ষীবিলাকৰ সভা বা ডাঙৰ অধিবেশন হয়। এই সময়ত বহুতো মন্ডলীয়ে একেলগে বাইবেল উপদেশৰ বিশেষ কায্যসূচিত ভাগ লয়। প্ৰত্যেক সভাবোৰত বা অধিবেশনত নতুন শিষ্যবোৰে বাপ্তিসমা লয়।—মথি ৩: ১৩-১৭; ২৮:১৯, ২০.

৬. নিউ-ইয়ৰ্কত যিহোৱাৰ সাক্ষীৰ বিশ্ব মূখ্যৰ্কাযালয় আছে। ইয়াত থকা পৰিচালনা সমিতিৰ অভিজ্ঞতা থকা অধ্যক্ষসকলৰ এক কেন্দ্ৰিয় দলে বিশ্বব্যাপি মন্ডলীত তত্বধান কৰে। ১০০ তকৈও অধিক শাখা কাৰ্য্যলয় বিশ্বৰ চাৰিওফালে আছে। এই ঠাইবোৰত নিজে স্বইচ্ছাৰে সাক্ষীসকলে ছপা কৰাত আৰু বাইবেলৰ সাহিত্যবোৰ পঠিওৱাত সহায় কৰে। প্ৰচাৰ কৰা কামতো নিৰ্দেশন দিয়া হয়। আপুনি ওচৰত থকা শাখা কাৰ্য্যলয়ত ভ্ৰমণ কৰাৰ ব্যৱস্থা নকৰে কিয়?

